NSD NEWS BULLETIN
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-08-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। রাজ্যসভাৰ উপ-নিৰ্বাচনত বিজেপিৰ ৯গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে।

২। ৱাক্‌ফ সংশোধনী বিধেয়ক ২০২৪ সম্পৰ্কীয় যুটীয়া সংসদীয় কমিটীয়ে জনসাধাৰণ, বেচৰকাৰী সংস্থা, বিশেষজ্ঞ, বিভিন্ন পক্ষ আৰু প্ৰতিষ্ঠানৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। ¯

৩। চিলিৰ বিদেশ মন্ত্ৰী অলবৰ্টো ৱেন ক্লেৰেৰেনে আজি বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰৰ সৈতে ভাৰত-চিলি যুটীয়া আয়োগৰ দ্বিতীয়লানি বৈঠকত সহঅধ্যক্ষতা কৰিব।

৪। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কলকাতাত প্ৰতিবাদৰ সময়ত আৰক্ষীয়ে লোৱা ব্যৱস্থাক লৈ পশ্চিম বংগ চৰকাৰক তীব্ৰ সমালোচনা কৰিছে। *আৰু*

৫। পেৰিছত আজি পেৰালিম্পিক আনুষ্ঠানিকভাৱে আৰম্ভ হ'ব।

০০০

ৰাজ্যসভাৰ উপনিৰ্বাচনত বিজেপিৰ ৯গৰাকী এন ডি এ মিত্ৰজোঁটৰ দুগৰাকী আৰু কংগ্ৰেছৰ এগৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱা বিজেপিৰ প্ৰাৰ্থীসকলৰ ভিতৰত অসমৰ মিছন ৰঞ্জন দাস আৰু ৰামেশ্বৰ তেলী, বিহাৰৰ পৰা মনন কুমাৰ মিশ্ৰ, হাৰিয়ানাৰ পৰা কিৰণ চৌধৰী, মধ্যপ্ৰদেশৰ পৰা জৰ্জ কুৰিয়ন, মহাৰাষ্ট্ৰৰ পৰা ধৈৰ্যশীল পাটিল, ওড়িশাৰ পৰা মমতা মহান্তা, ৰাজস্থানৰ পৰা ৰৱনিট সিং বিট্টু আৰু ত্ৰিপুৰাৰ ৰাজীৱ ভট্টাচাৰ্য আছে।

কংগ্ৰেছৰ অভিষেক মনু সিংভি তেলেংগানাৰ পৰা বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। এন চি পিৰ অজিত পাৱাৰ গোটৰ নিতিন পাটিল মহাৰাষ্ট্ৰৰ পৰা আৰু আৰ এল এমৰ উপেন্দ্ৰ কুশৱাহা বিহাৰৰ পৰা ৰাজ্যসভালৈ নিৰ্বাচিত হৈছে।

০০০

ৱাক্‌ফ সংশোধনী বিধেয়ক ২০২৪ সম্পৰ্কীয় যুটীয়া সংসদীয় কমিটীয়ে জনসাধাৰণ, বেচৰকাৰী সংস্থা, বিশেষজ্ঞ, বিভিন্ন পক্ষ আৰু প্ৰতিষ্ঠানৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। লোকসভা সচিবালয়ে এই সন্দৰ্ভত প্ৰেছ বিজ্ঞপ্তি জাৰি কৰিছে। বিজ্ঞপ্তিত এইবুলি কোৱা হৈছে যে কমিটীলৈ লিখিত পৰামৰ্শ আগবঢ়াব বিচৰা ব্যক্তিসকলে হিন্দী অথবা ইংৰাজী ভাষাত দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে নতুন দিল্লীৰ সংসদৰ উপ-ভৱনৰ ৪৪০ নম্বৰ কক্ষৰ ঠিকনাত লোকসভা সচিবালয়ৰ যুটীয়া সচিবলৈ ডাকযোগে দুটাকৈ প্ৰতিলিপি প্ৰেৰণ কৰিব লাগিব। জনসাধাৰণে jpcwaqf-lss@sansad.nic.in ইমেইলযোগেও দিহা-পৰামৰ্শ প্ৰেৰণ কৰিব পাৰিব। বিজ্ঞাপন প্ৰকাশ হোৱাৰ পৰা ১৫ দিনলৈকে দিহা-পৰামৰ্শ গ্ৰহণ কৰা হ'ব। বিজ্ঞপ্তি অনুসৰি কমিটীলৈ প্ৰেৰণ কৰা স্মাৰকপত্ৰ অথবা দিহা-পৰামৰ্শ কমিটীখনত অভিলেখৰ অংশ হ'ব আৰু সেইসমূহ গোপনীয় আৰু কমিটীৰ সম্পদ বুলি গণ্য কৰা হ'ব। কমিটীৰ সন্মুখত উপস্থিত বিচৰা ব্যক্তিসকলে স্মাৰক-পত্ৰ প্ৰেৰণ কৰাৰ উপৰি বিশেষভাৱে অনুৰোধ জনাব লাগিব। অৱশ্যে এই ক্ষেত্ৰত কমিটীৰ সিদ্ধান্তই

চূড়ান্ত সিদ্ধান্ত হ'ব। ৱাক্‌ফ সংশোধনী বিধেয়কৰ খচৰা হিন্দী আৰু ইংৰাজী ভাষাত লোকসভাৰ ৱেবছাইটত উপলব্ধ। এই বিধেয়কখন সংসদৰ বাজেট অধিবেশনৰ সময়ত লোকসভাত উত্থাপন কৰা হৈছিল আৰু বিধেয়কখন চালিজাৰি চোৱাৰ বাবে সাংসদ জগদম্বি পালৰ অধ্যক্ষতাত গঠন কৰা সংসদৰ যুটীয়া কমিটীলৈ প্ৰেৰণ কৰা হৈছিল। কমিটীখনে সংসদৰ শীতকালীন অধিবেশনৰ প্ৰথম সপ্তাহৰ অন্তিম দিনা সদনত দাখিল কৰিব লাগিব।

০০০

কেন্দ্ৰীয় কৰ্মচাৰী, ৰাজহুৱা ওজৰ-আপত্তি আৰু পেন্সন ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত চলিত বছৰৰ অনুভৱ বঁটাসমূহ প্ৰদান কৰিব। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এইবাৰ ২২টা মন্ত্ৰালয় আৰু বিভাগে প্ৰকাশ কৰা লেখাৰ মাজৰ পৰা পাঁচটা অনুভৱ বঁটাৰ বাবে নিৰ্বাচিত হোৱাৰ লগতে ১০টাই বিচাৰকৰ প্ৰমাণপত্ৰ লাভ কৰিছে। উল্লেখযোগ্য যে ২০১৫ চনত পেন্সন আৰু পেন্সনাৰ কল্যাণ বিভাগে অনুভৱ শীৰ্ষক মঞ্চ মুকলি কৰিছিল। এই মঞ্চ অৱসৰপ্ৰাপ্ত আৰু অৱসৰ গ্ৰহণ কৰিবলগীয়া কৰ্মচাৰীসকলে তেওঁলোকৰ চাকৰিৰ কালছোৱাত প্ৰদৰ্শন কৰাৰ উল্লেখনীয় সাফল্য প্ৰদৰ্শনৰ বাবে মুকলি কৰা হৈছে। এতিয়ালৈ ৫৪টা অনুভৱ বঁটা প্ৰদান কৰা হৈছে। মন্ত্ৰী ড০ সিঙে লগতে কাইলৈ নতুন দিল্লীত একাদশ সৰ্বভাৰতীয় পেন্সন আদালত আৰু ৫৫ সংখ্যক প্ৰাক-অসৰৰকালীন পৰামৰ্শদান কৰ্মশালাত অধ্যক্ষতা কৰিব। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে সু-প্ৰশাসনৰ অংশ হিচাপে এই কৰ্মশালাৰ আয়োজন কৰা হৈছে।

০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত আৰক্ষী গৱেষণা আৰু উন্নয়ন ব্যুৰ'ৰ ৫৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন সমাৰোহত অংশগ্ৰহণ কৰিব। এই উপলক্ষে গৃহ মন্ত্ৰীগৰাকীয়ে নতুন ফৌজদাৰী আইন-জনসাধাৰণকেন্দ্ৰিক সংস্কাৰ সন্দৰ্ভত ড০ আনন্দ স্বৰূপ গুপ্তা স্মাৰক বক্তৃতা প্ৰদান কৰিব। তেওঁ লগতে ২০২৩ আৰু ২০২৪ বৰ্ষৰ বাবে ৰাষ্ট্ৰপতিৰ বিশিষ্ট সেৱা আৰু উত্তম সেৱা পদক প্ৰাপকসকলক সন্মান জনাব। অনুষ্ঠানত গৃহ মন্ত্ৰীগৰাকীয়ে নতুন ফৌজদাৰী আইন সন্দৰ্ভত আৰক্ষী গৱেষণা আৰু উন্নয়ন ব্যুৰ'ৰ ভাৰতীয় আৰক্ষী পত্ৰিকাৰ বিশেষ সংস্কৰণো উন্মোচন কৰিব। আৰক্ষী গৱেষণা আৰু উন্নয়ন ব্যুৰ'ই গৱেষণা আৰু উন্নয়নৰ মাধ্যমেৰে আইন-শৃংখলা ব্যৱস্থাৰ উৎকৰ্ষ সাধনৰ বাবে মূল পৰামৰ্শ গোট হিচাপে কাম কৰে। আৰক্ষীৰ বাবে নীতি আৰু প্ৰক্ৰিয়া বিকশাই তোলাই এই প্ৰতিষ্ঠানৰ মূল লক্ষ্য। ইয়াৰ উপৰি প্ৰতিষ্ঠানটোৱে নাগৰিকসকললৈ উন্নত সেৱা আগবঢ়োৱাৰ বাবে সহায়ক প্ৰযুক্তিৰ অন্বেষণ, আইন নিয়ন্ত্ৰণ ব্যৱস্থাৰ সংস্কাৰ আৰু বিধি বলবৎকাৰী সংস্থাসমূহৰ সামৰ্থ্য বৃদ্ধিৰ উপায় সন্দৰ্ভত বিশেষ গুৰুত্ব প্ৰদান কৰে।

০০০

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কলকাতাত প্ৰতিবাদৰ সময়ত আৰক্ষীয়ে লোৱা ব্যৱস্থাক লৈ পশ্চিম বংগ চৰকাৰক তীব্ৰ সমালোচনা কৰিছে। শ্ৰীনাড্ডাই কালি সামাজিক মাধ্যমযোগে কয় যে কলকাতাত আৰক্ষীয়ে বলপূৰ্বকভাৱে ক্ষমতা প্ৰদৰ্শন কৰাৰ ছবিয়ে গণতান্ত্ৰিক প্ৰমূল্যৰাজিক সন্মান কৰা প্ৰতিগৰাকী ব্যক্তিক ক্ষোভিত কৰি তুলিছে। তেওঁ লগতে মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ শাসন কালত মহিলাৰ সুৰক্ষাৰ বিষয়ে কোৱাটো অপৰাধ নেকি বুলি আশ্চৰ্য প্ৰকাশ কৰিছে। বিজেপিৰ মুখপাত্ৰ গৌৰৱ ভাটিয়াইও কলকাতাৰ এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ ঘটনাক লৈ আই এন ডি আই মিত্ৰজোঁটৰ মৌনতা

সন্দৰ্ভত প্ৰশ্নৰ অৱতাৰনা কৰিছে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত মুখপাত্ৰগৰাকীয়ে কয় যে ৰাজ্যখনত সতীৰ্থ শিক্ষাৰ্থীৰ হকে শান্তিপূৰ্ণভাৱে প্ৰতিবাদৰত বিদ্যাৰ্থীসকলৰ বিৰুদ্ধে আৰক্ষীয়ে গ্ৰহণ কৰা  কঠোৰ ব্যৱস্থাৰ দ্বাৰা সংবিধানৰ অৱমাননা কৰা হৈছে। শ্ৰীভাটিয়াই মমতা বেনাৰ্জীৰ পদত্যাগ আৰু আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসকগৰাকীৰ ধৰ্ষণ আৰু হত্যাৰ ঘটনাৰ নিকা তদন্তৰ স্বাৰ্থত আৰক্ষী আয়ুক্তৰ অপসাৰণৰ দাবী কৰিছে।

ইপিনে, পশ্চিম বংগৰ ৰাজ্যপাল চি ভি আনন্দ বসুৱে কৈছে যে আৰক্ষীয়ে অধিক সংবেদনশীলতাৰে প্ৰতিবাদকাৰীসকলৰ মুখামুখি হ'ব পাৰিলেহেঁতেন। তেওঁ কয় যে প্ৰতিবাদকাৰীসকলে কোনো দলৰ পতাকা বহন কৰা নাছিল। আৰক্ষীয়ে জাতীয় পতাকাৰ অপমান কৰা বুলিও ৰাজ্যপালে অভিযোগ উত্থাপন কৰে।

ooo

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কৈছে যে ভাৰত শীঘ্ৰেই বিশ্বৰ তৃতীয় সৰ্ববৃহৎ দেশৰূপে পৰিগণিত হ'ব। আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি আই এম এফৰ ৱৰ্ল্ড আউটলুক প্ৰতিবেদনত সংকলিত বিকাশ হাৰৰ ভিত্তিত মন্ত্ৰীগৰাকীয়ে কালি কয় যে ভাৰত ৭ শতাংশ বিকাশ হাৰেৰে ২০২৪ বৰ্ষত বিশ্বত সবাতোকৈ দ্ৰুত বিকাশশীল অৰ্থব্যৱস্থা হিচাপে পৰিগণিত হৈছে। চীন আনুমানিক ৫ শতাংশ বিকাশ হাৰেৰে দ্বিতীয় স্থানত আছে। প্ৰায় ২৮ লাখ ৮০ হাজাৰ কোটি ডলাৰৰ মুঠ ঘৰুৱা উৎপাদনেৰে বিশ্বৰ সবাতোকৈ বৃহৎ অৰ্থব্যৱস্থাৰে দেশ আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিকাশ হাৰ ২ দশমিক ৬ শতাংশ হোৱাৰ সম্ভাৱনা আছে। দেশখন বিকাশ হাৰৰ দিশৰ পৰা সপ্তম স্থানত আছে।

ooo

ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে অনলাইন অনলাইন মানৱ অধিকাৰ ফটোগ্ৰাফী প্ৰতিযোগিতা ২০২৪ৰ ফলাফল ঘোষণা কৰিছে। আয়োগৰ বিচাৰক মণ্ডলীয়ে তৃতীয় স্থানৰ বাবে এখন আলোকচিত্ৰ বাছনি কৰিছে। এই ফটোখনক ৫ হাজাৰ টকাৰে পুৰস্কৃত কৰা হ'ব। বিচাৰক মণ্ডলীয়ে নিচুকণী বঁটাৰ বাবে পাঁচখন আলোকছিত্ৰ বাছনি কৰিছে। এতিয়ালৈকে প্ৰথম আৰু দ্বিতীয় স্থানৰ আলোকচিত্ৰ ঘোষণা কৰা হোৱা নাই। মাই গভ পোৰ্টেলৰ সহযোগত যোৱা ৭ জুনৰ পৰা ৭ জুলাইলৈ এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। এই প্ৰতিযোগিতাৰ বাবে মানৱ অধিকাৰ সম্পৰ্কীয় ১০টা বিষয়ত আলোকচিত্ৰ বিচৰা হৈছিল।

ooo

ভাৰতীয় চিকিৎসা বিজ্ঞানীসকলে পাৰ্কিনছন ৰোগৰ ব্যৱস্থাপনাৰ বাবে ঔষধৰ পৰিমাণ সংযোজনৰ বাবে নতুন স্মাৰ্ট ছেন্সৰ বিকশাই তুলিছে। এই ছেন্সৰ স্মাৰ্ট ফোন আধাৰিত এক প্ৰকাৰৰ ফ্ল'ৰেন্স  টাৰ্ণ অন ব্যৱস্থা। এই ব্যৱস্থা বহনসাধ্য আৰু সৰল। বিজ্ঞান আৰু প্ৰযুক্তিৰ ঐচ্ছিক অধ্যয়ন প্ৰতিষ্ঠানে কৈছে যে এই চেন্সৰবিধৰ সহায়ত শৰীৰত এল দোপাৰ সঠিক মাত্ৰাৰ বিষয়ে জানিব পৰা যাব আৰু তাৰ ভিত্তিত পাৰকিনছন ৰোগ নিয়ন্ত্ৰণৰ বাবে ঔষধৰ আৱশ্যকীয় মাত্ৰা নিৰ্ধাৰিত কৰিব পৰা যাব।

ooo

পেৰিছত আজি ২০২৪ চনৰ পেৰালিম্পিক আনুষ্ঠানিকভাৱে আৰম্ভ হ'ব। ৮ ছেপ্তম্বৰত এই প্ৰতিযোগিতাৰ সামৰণি পৰিব। ফ্ৰান্সে এইবাৰ প্ৰথমবাৰৰ বাবে গ্ৰীষ্মকালীন পেসৰালিম্পিকৰ আয়োজন কৰিছে। ইয়াৰ পূৰ্বে ১৯৯২ চনত দেশখনৰ শীতকালীন পেৰালিম্পিক অনুষ্ঠিত হৈছিল। এইবাৰৰ পেৰালিম্পিকত ভাৰতৰ ৮৪জনীয়া খেলুৱৈ দলে ভাগ ল'ব। এয়া হ'ব পেৰালিম্পিকত অংশ লোৱা ভাৰতৰ

সৰ্ববৃহৎ দল। ভাৰতে ২২টা শিতানৰ ভিতৰত  ১২টাত ভাগ ল'ব। এইবাৰ পেৰা চাইক্লিং, পেৰা জুদো আৰু পেৰা ৰোয়িঙত ভাৰতে প্ৰথমবাৰলৈ ভাগ ল'ব।

০০০

চিলিৰ বিদেশ মন্ত্ৰী অলবৰ্টো ৰেন ক্লেৰেৰেন যোৱা নিশা ভাৰত ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হয়। শ্ৰীক্লেৰেৰেনে বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰৰ সৈতে আজি নতুন দিল্লীত হ'বলগীয়া ভাৰত-চিলি যুটীয়া আয়োগৰ দ্বিতীয়লানি বৈঠকত সহঅধ্যক্ষতা কৰিব। তেওঁ লগতে ভাৰত-চিলি কৃষি ব্যৱসায় শীৰ্ষ সন্মিলনতো অংশ ল'ব। ইয়াৰ পাছতে অভ্যাগত বিদেশ মন্ত্ৰীগৰাকী মুম্বাইলৈ যাব। চিলি লেটিন আমেৰিকা অঞ্চলত ভাৰতৰ গুৰুত্বপূৰ্ণ সহযোগী। শ্ৰীক্লেৰেৰেনৰ এই ভ্ৰমণে দুয়ো পক্ষকে দ্বিপাক্ষিক সম্পৰ্কৰ অগ্ৰগতিৰ পৰ্যালোচনা চলোৱাৰ আৰু সহযোগিতাৰ নতুন ক্ষেত্ৰ অন্বেষণৰ সুযোগ প্ৰদান কৰিব।

০০০

ঃঃ সমাপ্ত ঃঃ